অধ্যায় ২ ঃ হৰপ্পা সংস্কৃতি

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ হৰপ্পা সংস্কৃতিৰ পৰিসৰ আৰু প্ৰকৃতি
- নগৰীয় গঠন

২.৪ হৰপ্পা সংস্কৃতিৰ লোকসকল
- অৰ্থনৈতিক জীৱন
- ধৰ্মীয় ৰীতি নীতি

২.৫ পতন
২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৭ অধিক জানিবলৈ
২.৮ অগ্ৰগতিৰ খতিয়ান
২.৯ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- হৰপ্পা সংস্কৃতিৰ মূল আৰু বিস্তৃতিৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব,
- হৰপ্পা সংস্কৃতিৰ লোকসকলৰ সামাজিক, অৰ্থনৈতিক আৰু ধৰ্মীয় জীৱনৰ বিষয়ে আলোচনা কৰিব পাৰিব, আৰু
- হৰপ্পা সংস্কৃতিৰ পতনৰ বাবে দায়ী কাৰকসমূহৰ বিষয়ে বিশ্লেষণ কৰিব পাৰিব।

২.২ পৰিচয়

আমি ইয়াৰ আগৰ অধ্যায়ত প্ৰাক্-ঐতিহাসিক সংস্কৃতি, প্ৰধানকৈ প্ৰত্নপ্ৰস্তৰ যুগৰ সংস্কৃতি, মধ্যপ্ৰস্তৰ যুগৰ সংস্কৃতি আৰু নৱ প্ৰস্তৰ যুগৰ সংস্কৃতিৰ বিষয়ে শিকিবলৈ পাইছো। এইটো অধ্যায়ত আমি হৰপ্পাৰ সংস্কৃতিৰ বিষয়ে জানিবলৈ পাম।

হৰাপ্পা সংস্কৃতি পৃথিৰীৰ প্ৰাৰম্ভিক সভ্যতাসমূহৰ অন্যতম। এই সংস্কৃতি ভাৰতৰ ঐতিহাসিক যুগৰ আৰু ব্ৰজ যুগৰ অৰ্ন্তগত। ১৯২২-২৩, চনত, ৰাখল দাস বেনাৰ্জী, দয়াৰাম চাহ্নী আৰু জ'ন মাৰ্চল নামৰ তিনিজন পুৰাতত্ববিদে হৰপ্পা আৰু মহেঞ্জোদাৰো নামৰ চহৰ দুখনত খনন কাৰ্য্যৰ জৰিয়তে পুৰণি সভ্যতাৰ ভগ্নাৱশেষ উদ্ধাৰ কৰিছিল। হৰপ্পা পঞ্জাৱৰ মণ্টেগোমেৰী জিলাত অৱস্থিত আৰু মহেঞ্জোদাৰো সিন্ধুৰ লৰকানা জিলাত অৱস্থিত। এই দুয়োখন জিলা বৰ্তমান পাকিস্তানৰ অৰ্ন্তগত। ওপৰত উল্লেখ কৰা অঞ্চলবোৰৰ লগতে আন আন কিছুমান অঞ্চলত উদ্ধাৰ কাৰ্য্যত

কেইবাহাজাৰ বছৰ আগতে এই অঞ্চলবোৰত উন্নত সভ্যতা গঢ়ি উঠাৰ প্ৰমাণ পোৱা গৈছে। এই সভ্যতা বৈদিক সভ্যতাতকৈ নিশ্চিতভাৱে পুৰণি আছিল। খননকাৰ্যত উদ্ধাৰ হোৱা বেছিসংখ্যক অঞ্চল আছিল সিন্ধু নদীৰ পাৰত অৱস্থিত। সেয়েহে, এই সভ্যতা বা সংস্কৃতিক সিন্ধু উপত্যকাৰ সভ্যতা বুলিও জনা যায়। তাৰোপৰি, এই সংস্কৃতি পোন প্ৰথমে হৰাপ্পাত আৱিষ্কাৰ হৈছিল বাবেও কিছুমান বিদ্বান পণ্ডিতে এই সভ্যতাক হৰপ্পা নামেৰে নামাকৰণ কৰিছিল।



জানি থোৱা ভাল

হৰপ্পা আৰু মহেঞ্জোদাৰোৰ উপৰিও, হৰপ্পা সংস্কৃতিৰ বিস্তৃতি আন আন অঞ্চলতো উদ্ধাৰ হৈছে। এই অঞ্চলবোৰ হ'ল লোথাল (গুজৰাটত অৱস্থিত), চানহুদাৰো (সিন্ধুত অৱস্থিত), কালিবাংগন (ৰাজস্থানত অৱস্থিত), ৰোপাৰ (হাৰিয়ানাত অৱস্থিত) ইত্যাদি।

২.৩ সংস্কৃতিৰ বিকাশ আৰু প্ৰকৃতি

হৰপ্পা সভ্যতা এক বৃহৎ ভৌগলিক এলেকা জুৰি বিস্তৃত আছিল। এই সভ্যতা পশ্চিম দিশে বেলুচিস্তানৰ চুটকাজেনদোৰ পৰা পূৱলৈ উত্তৰ প্ৰদেশৰ আলম্‌গিৰপুৰ আৰু উত্তৰৰ জম্মু মণ্ডাৰ পৰা দক্ষিণৰ গোদাৱৰী উপত্যকালৈ বিস্তৃত আছিল। সামগ্ৰিকভাৱে, এই সভ্যতাই ২২,৫০,০০০ বৰ্গ কিঃ মিঃ অঞ্চল জুৰি আছিল। সমসাময়িক বিশ্বৰ সভ্যতাবোৰৰ ভিৰৰত এই সভ্যতা সংস্কৃতিৰ বিস্তৃতি আছিল সবাতোকৈ অধিক।

লোথল আৰু টোলাভিৰা বন্দৰ নগৰ আৰু হৰপ্পা, মহেঞ্জোদাৰোৰ দৰে বিকশিত নগৰৰ বৈশিষ্ট্যৰ পৰিপূৰ্ণ হৰপ্পা সংস্কৃতি আছিল নগৰীয় প্ৰকৃতিৰ।

দুৰ্ভাগ্যৱশতঃ হৰপ্পা সংস্কৃতিৰ কোনো লিখিত সমল এতিয়ালৈ পোৱা নাই। বিদ্বানসকলে হৰপ্পাৰ মোহৰবোৰত লিখিত সচিত্ৰ ভাষাবোৰৰ পাঠোদ্ধাৰ কৰাত ব্যৰ্থ হৈছে। সেয়েহে হৰপ্পাৰ লোকসকল আৰু তেওঁলোকৰ জীৱনশৈলী সম্পৰ্কে আমাৰ জ্ঞান যুক্তিভিত্তিক ধাৰণাৰ ওপৰত নিৰ্ভৰশীল। বিভিন্ন অঞ্চলত উদ্ধাৰ হোৱা পুৰাতাত্ত্বিক ভগ্নাৱশেষবোৰে এই সংস্কৃতিৰ তথ্য দাঙি ধৰিছে।

এই ব্যাপক বিশাল সভ্যতাৰ কালানুক্ৰম ধাৰ্য্য কৰাটো জটিল। এই জটিলতাৰ বিভিন্ন কাৰক আছে। এই কাৰকবোৰ যেনে হৰপ্পাৰ মোহৰবোৰ ভাৰতৰ বাহিৰৰ এই সভ্যতাৰ সমসাময়িক স্থলবোৰৰ উদ্ধাৰ হোৱাটো বিভিন্ন অঞ্চলৰ পৰা সংগ্ৰীহিত C-14 নিৰ্ধাৰণবোৰৰ ভিন্নতা, এই সভ্যতাৰ কেন্দ্ৰীয় অঞ্চলবোৰৰ আৱন্তণি আৰু বিকাশৰ মাজৰ সময় আৰু পূৱ আৰু দক্ষিণলৈ পৰিধি। আৰ্য্য সকলৰ আক্ৰমণ সম্বন্ধে প্ৰচলিত তথ্যবোৰ ও আন এক সমস্যা। সেয়েহে, বিভিন্ন পণ্ডিতসকলে নিজৰ নিজৰ অনুসন্ধানৰ জৰিয়তে এই সম্পৰ্কে বিভিন্ন তাৰিখ আগবঢ়াইছে। চাৰ জন্ মাৰ্চেলৰ মতে, এই সভ্যতাৰ সময় কাল প্ৰায় ৩২০০ আৰু ২৭৫০ খ্ৰীঃপূৰ্ব। চাৰ মোৰটিমাৰ হুইলাৰ মতে এই সভ্যতাৰ সময়কাল প্ৰায় ২৫০০-১৫০০ খ্ৰীঃ পূঃ। 'ৰেডিঅ' কাৰ্বন' তাৰিখ

(Radio Carbon dating) নির্ধাৰণৰ আৱিষ্কাৰ গুৰাতাত্ত্বিক আৱিস্কাৰ পদ্ধতিলৈ এক উপহাৰস্বৰূপ। হৰপ্পাৰ কেইবাটাও অঞ্চলৰ তাৰিখ এই পদ্ধতিৰে নির্ধাৰণ কৰা হৈছে। এই সভ্যতাৰ বিভিন্ন অঞ্চলৰ পৰা সংগ্রহীত ১৪- carbon নমুনা সমূহৰ ওপৰত নির্ভৰ কৰি ড° ডি.পি. আগৰৱালদেৰে এটা সম্ভৱনাপূর্ণ তাৰিখৰ সলনি,২৩০০-১৭৫০ খ্রীষ্টপূর্বৰ ভিতৰৰ কালচোৱাত হৰপ্পা সংস্কৃতিৰ সম্পূর্ণ বিকাশ হোৱা বুলি মতপোষণ কৰিছে।

এই সভ্যতাৰ পতন বেছি অস্পষ্ট কিন্তু দেখা যায় যে পুর্ণ বিকশিত হৰপ্পা সংস্কৃতি (mature Harappan Culture)ৰ ১৭৫০ খ্রীষ্টপূর্বত পৰিসমাপ্তি ঘটিছিল। ইয়াৰ লগে লগে হৰাপ্পা, চানহুদাৰো আৰু বাকী অঞ্চল বিলম্বিত বা হৰপ্পাৰ পৰৱর্তী অৱস্থাৰ আৰম্ভণি ঘটে। এনেদৰে, পূর্ণ বিকশিত হৰপ্পা সংস্কৃতি ৫ শতিকাতকৈ বেছিকাল বর্তি নাছিল।

- **নগৰীয় গঠনঃ**

  পুৰাতাত্বিক ভগ্নাৱশেষবোৰৰ পৰা অনুধাৱন কৰা হৈছে যে হৰপ্পা সভ্যতা আছিল এক নগৰীয় সভ্যতা। মহেঞ্জোদাৰো আৰু হৰাপ্পা হ'ল হৰপ্পা সভ্যতাৰ আটাইতকৈ গুৰুত্বপূর্ণ দুখন নগৰ। এই দুইখন চহৰৰ সাধাৰণ নির্মাণৰ পৰিকল্পনাৰ সাদৃশ্য পৰিলক্ষিত হোৱা দেখা যায়। নগৰবোৰ দুটা অংশত বিভক্ত আছিল- দুর্গ আৰু নামনি নগৰ (citadel and lower town)। প্রতিখন নগৰৰে পশ্চিমৰ বেৰেৰে আবৃত দুর্গবোৰ আছে।

  দুর্গ অঞ্চলবোৰৰ তলত নামনি চহৰবোৰ অৱস্থিত। হৰাপ্পা আৰু মহেঞ্জোদাৰোৰ ৰাস্তাবোৰ প্রায় ৯ মিটাৰ বহল। ৰাস্তাবোৰৰ এটা সাধাৰণ বৈশিষ্ট্য আছিল সমান্তৰাল সৰৱৰাহ ব্যৱস্থা। ঘৰবোৰ দুই মহলীয়া বা ততোধিক আছিল। সাধাৰণতে ঘৰবোৰৰ এফালে প্রৱেশ দুৱাৰ আছিল আৰু খিৰিকীবোৰ মূখ্য ৰাস্তাৰ ফলীয়া নাছিল। বসবাসৰ ঘৰবোৰ বহুত ধৰণৰ আছিল আৰু ঘৰবোৰৰ আকাৰ আছিল ভিন্ন। ঘৰবোৰ সুন্দৰ পো�ৰা ইটাৰে তৈয়াৰী আছিল। প্রায় প্রত্যক ঘৰৰে এটা কুঁৱা, পাকঘৰ, স্নানাগাৰ আৰু নলা-ব্যৱস্থা। পো�ৰা ইটাৰ ব্যৱহাৰ হৰপ্পা নগৰ পৰিকল্পনাৰ অন্যতম বৈশিষ্ট্য। পোৰা আৰু নোপোৰা ইটাবোৰ আছিল অট্টালিক নির্মাণৰ সামগ্রী। তথাপি কালিবাংগানৰ নিচিনা কিছুমান অঞ্চলত বোকামাটিৰ ইটাৰ ব্যৱহাৰৰ প্রমাণ পোৱা যায়। ঘৰ নির্মাণৰ বাবে প্রধানকৈ পোৰা ইটাৰ ব্যৱহাৰ কৰিছিল। সেয়েহে শিলেৰে নির্মিত ঘৰবোৰ হৰাপ্পা সভ্যতাত পোৱা হোৱা নাই। ব্যক্তিগত নলাবোৰ ৰাস্তাৰ নলাৰ লগত সংযোজিত আছিল। ঘৰবোৰৰ মাজত এখোজৰ ব্যৱধানত বেৰবোৰ আছিল। বেৰবোৰত থকা বর্গাকাৰ বা ত্রিভূজ আকাৰ ফুটাবোৰৰ পৰা ওপৰৰ মহলা আৰু ঘৰৰ মূধচৰ মাজত কাঠৰ বীম (wooden beams) থকাৰ ইংগিত পোৱা যায়। ঘৰৰ ওপৰৰ মহলা খটখট্টিৰে ঢুকি পোৱাৰ ব্যৱস্থা আছিল। কেতিয়াবা কাঠৰ জখলাৰো ব্যৱহাৰ হোৱা দেখা গৈছে। সাধাৰণতে ঘৰবোৰৰ এখন চোতাল আছিল। মহেঞ্জোদাৰোত বর্গাকাৰ আৰু ত্রিভুজাকাৰ দুই ধৰণেৰে খুঁটা পোৱা গৈছে। শিলৰ খুঁটি উদ্ধাৰ হোৱা নাই। প্রত্যেক ঘৰতে একোটাকৈ স্নানাগাৰ আছিল আৰু এই স্নানাগাৰসমূহ ৰাস্তাৰ ওচৰতে নির্মাণ কৰা হৈছিল যাতে পানীবোৰ ৰাস্তাৰ

নলাবোৰলৈ অতি সহজে নিষ্কাষিত কৰিব পৰা যায়। ব্যৱহৃত পানীবোৰ ডাঙৰ নলাৰে বোৱাই নিয়াৰ এয়া এক ব্যৱস্থা আছিল। নিষ্কাষণৰ বাবে মৃৎ-নলীৰ ব্যৱহাৰ কৰা হৈছিল। মুখ্য নলাবোৰ ১২ ইঞ্চি দ' আৰু ৯ ইঞ্চি বহল আছিল। নলা-নৰ্দমাবোৰ সাধাৰণ ইটাৰে বন্ধা হৈছিল আৰু বোকা আৰু বালি-পানীৰ মিশ্রণ (mud and mortar) ৰে ইটাবোৰ গাঁঠিছিল। নৰ্দমাবোৰ সাধাৰণতে সহজে আঁতৰাব পৰাকৈ ইটাৰে ঢাকি থোৱা হৈছিল। চহৰবোৰৰ নলা-নৰ্দমাবোৰ সিন্ধু নদী সংযোগী আছিল। প্রায়বোৰ ঘৰৰে ইটাৰে নির্মিত দেৱাল আছিল।

হৰপ্পা সভ্যতাৰ ভগ্নাৱশেষবোৰৰ ভিতৰত মহেঞ্জোদাৰোৰ 'বৃহৎ স্নানাগাৰ ' (The Great Bath) টো উল্লেখযোগ্য। এইটো আছিল এক ৰাজহুৱা স্নানাগাৰ যাৰ দৈর্ঘ্য আছিল ১৮০ ফুট আৰু বহলে ১০৮ ফুট। মূখ্য আট্টালিকাৰ পুখুৰীটো ৩৯ / ২৩ ফুট বহল আছিল আৰু গভীৰতা আছিল ৮ ফুট। বিথিকা (Galleries) আৰু কোঠালীবোৰ স্নানাগাৰৰ পুখুৰীৰ চাৰিও দিশে আগুৰি আছিল।

বৃহৎ স্নানাগাৰৰ লগতে ধাৰাবাহি দীঘলীয়া ৰাজহুৱা অট্টালিকা ঘৰবোৰৰ উদ্ধাৰ হৈছে। এই ঘৰবোৰ ৰাজহুৱা ভঁড়াল হিচাপে ব্যৱহৃত হৈছিল। হৰপ্পাত বৃহৎ ভড়াঁল আৱিষ্কাৰ হৈছে যিটো ৪৫.৭১ মিটাৰ দীঘল আৰু ১৫.২৩ মিটাৰ বহল। কালিবাংগানত এখন ইটাৰ মঞ্চ () উদ্ধাৰ হৈছে। সম্ভৱতঃ ভঁৰালত এই মঞ্চৰ ব্যৱহাৰ হৈছিল।



জানি থোৱা ভাল

হৰপ্পা সংস্কৃতিৰ ভগ্নাৱশেষবোৰৰ অন্যতম হ'ল মোহৰবোৰ। হাজাৰ হাজাৰ মোহৰ হৰপ্পাৰ সংস্কৃতিৰ বিভিন্ন অঞ্চলৰ পৰা উদ্ধাৰ হৈছে। সিন্ধু উপত্যকাৰ মোহৰ বোৰ ষ্টিয়েটাইট (Steatite) নির্মিত। ষ্টিয়েটাইট (steatite) হ'ল এবিধ পাতল শিল। সিন্ধু উপত্যকাৰ মোহৰবোৰ বর্গাকাৰ আছিল। এই মোহৰবোৰ বাণিজ্যিক ক্ষেত্রত ব্যৱহাৰ কৰা হৈছিল বুলি বিশ্বাস কৰা হয়। সকলোবোৰ মোহৰতে জীৱ-জন্তুৰ ছৱিৰ লগতে চিত্র সম্বলিত লিপিৰ ব্যৱহাৰ দেখা যায়। এই সভ্যতাৰ লিপিৰ এতিয়ালৈ পঠোদ্ধাৰ হোৱা নাই।

২.৪ হৰপ্পা সংস্কৃতিৰ লোকসকল

হৰপ্পা সভ্যতাৰ খনন কার্য্যৰ পৰা পোৱা গৈছে যে এই সভ্যতাৰ লোকসকলক ৪ টা শ্রেণীত বিভক্ত কৰিব পাৰি। সমাজখন বিদ্যান শ্রেণী, যোদ্ধা, বণিক, শিল্পী আৰু শ্রমিক শ্রেণীক লৈ গঠিত আছিল। পুৰোহিত, জ্যোতিষী, কবিৰাজ আদি আছিল বিদ্যান লোক। পুৰণি কিল্লা আৰু ৰাজমহলৰৰ ভগ্নাৱশেষে যোদ্ধা শ্রেণীৰ বিষয়ে ইংগিত দিয়ে। যোদ্ধাসকলৰ প্রাথমিক কর্মই হ'ল ভূমি আৰু লোকসকলক ৰক্ষা কৰা। সদাগৰ, বিভিন্ন কলা-কুশলী যেনে সোণাৰী,

মিস্ত্রী আৰু বোৱনীসকল তৃতীয় শ্রেণীৰ অর্ন্তগত। আটাইতকৈ তলৰ শ্রেণী দৈনিক হাজিৰা অর্জন কৰাসকল, শ্রমিকসকল আৰু ঘৰুৱা লগুৱা- লিকচৌ সকলৰ দ্বাৰা গঠিত আছিল। নগৰৰ নামনীয় অঞ্চলত তেওঁলোক বসবাস কৰিছিল।

হৰপ্পা সংস্কৃতিত আমিষ আৰু নিৰামিষ ভোজী দুয়োটা ভাগৰে লোক আছিল। তেওঁলোকে ঘেঁহু, যৱধান, চাউল, গাখীৰ, গাহৰিৰ মাংস, গৰুৰ মাংস আদি খাইছিল। তেওঁলোকে বিভিন্ন ধৰণৰ ফল-মূলো খাইছিল। ভঁৰালৰ আৱিষ্কাৰৰ পৰা এইটো প্রমাণিত হৈছে যে এই ভৰাঁলবোৰত শস্য সংগ্রহ কৰি ৰখা হৈছিল। কপাহী আৰু ঊণ দুই ধৰণেৰে কাপোৰ হৰপ্পা সংস্কৃতিত ব্যৱহৃত হৈছিল। টাকুৰীৰ (spindle) আৱিষ্কাৰে বোৱনীৰ অৱস্থিতিৰ প্রমাণ কৰে। হৰপ্পাৰ পুৰুষসকলে এনেধৰণে সাজ পাৰ পৰিধান কৰিছিল যাতে বাওঁ কান্ধ উদং হৈ থাকে। পুৰুষ মহিলা উভয়ৰে দীঘল চুলি আছিল। মহিলাসকলে আঁঠুলৈ অহা চুটি সাজ পিন্ধিছিল। মহিলাসকলে অলংকাৰ ভাল পাইছিল আৰু গধুৰ খাৰু পিন্ধিছিল। তেওঁলোকে ডাঙৰ গলপতা আৰু কাণফুলি পিন্ধিছিল। এই অলংকাৰবোৰ বিভিন্ন সামগ্রী যেনে সোণ, ৰূপ, ব্রঞ্জ, হাতীদাঁত আদিৰে নির্মিত আছিল। ব্রঞ্জৰে নির্মিত আইনাৰ বহুল ব্যৱহাৰ আছিল। মহেঞ্জোদাৰোৰ মহিলাসকলে মুখ আঁকা (face paint) আৰু প্রসাধন দ্রব্য ব্যৱহাৰ কৰিছিল। চানহুদাৰোত অধৰ-ৰঞ্জনী (lipstick)ৰ ব্যৱহাৰৰ প্রমাণ পোৱা যায়। পুৰুষসকলে শৃঙ্গাৰ কৰা কোঠালীত বিভিন্ন ধৰণৰ কাঁহৰ খুৰ ব্যৱহাৰ কৰিছিল। হাতী দাঁত, ধাতু, মৃৎপাত্র আৰু শিলেৰে নির্মিত শৃংগাৰ- বাকচবোৰ সিন্ধু উপত্যকাৰ সভ্যতাৰ ভগ্নাংৱশেষবোৰৰ পৰা উদ্ধাৰ হৈছে।

কাপোৰ আৰু অলংকাৰৰ উপৰিও, আন বহুতো ঘৰুৱা সামগ্রী যেনে বাচন-বর্তন, পুতলা আদিও পোৱা গৈছে। বেছি সংখ্যক ৰান্ধনিশালৰ বাচন- বর্তনবোৰ মাটি আৰু শিলেৰে নির্মিত আছিল। কটাৰী, বেজী, কুঠাৰ আদিবোৰ ব্রঞ্জ আৰু তামেৰে নির্মিত আছিল।

খেল আৰু অৱসৰ বিনোদনে হৰপ্পা সমাজত গুৰুত্বপূর্ণ স্থান লাভ কৰিছিল। সৰু ল'ৰা-ছোৱালীবোৰে খেলা পোৱা মাটিৰ পুতলাবোৰ চৰাই আকৃতিৰ সুহুঁৰি মৰা খেলৰ সামগ্রী। তেওঁলোকৰ প্রিয় পুতলা আছিল বোকা মাটি সেকি নির্মাণ কৰা গৰুগাড়ী। পাশাখেল হৰপ্পা সংস্কৃতিৰ লোকসকলৰ প্রিয় অৱসৰ বিনোদন আছিল। চিকাৰ কার্য্যও আন এক জনপ্রিয় বিনোদন আছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ শুদ্ধ নে অশুদ্ধ লিখক—

(ক) বৃহৎ স্নানাগাৰটো উদ্ধাৰ হৈছিল হৰপ্পা /লোথাল / মহেঞ্জোদাৰো।

(খ) লোথাল আছিল বন্দৰ / সিন্দুৰ এখন জিলা / এটা ধর্মীয় কেন্দ্র ।

(গ) দুই / তিনি চাৰিজন ভূতত্ত্ববিদে ১৯২২-২৩ চনত হৰপ্পা আৰু মহেঞ্জোদাৰো আৱিষ্কাৰ কৰিছিল।

(ঘ) পাশাখেল / ঘোঁৰা চলোৱা জীৱ-জন্তুৰ যুঁজ আছিল হৰপ্পা সভ্যতাৰ লোকসকলৰ প্ৰিয় বিনোদন।

(ঙ) বৃহৎ ভড়াঁল পোৱা গৈছিল হৰপ্পা / লোথাল /চানহুদাৰোত।

- **অৰ্থনৈতিক জীৱন ঃ**

হৰপ্পা সংস্কৃতিৰ নগৰীয়া গাঁথনিয়ে সেই সভ্যতাৰ লোকসকলৰ ভাল অৰ্থনৈতিক অৱস্থাক প্ৰমাণিত কৰে। বিভিন্ন ধৰণৰ দিশ যেনে-খেতি-বাতি, ব্যৱসায়- বাণিজ্য, বিভিন্ন ধৰণৰ শিল্পই এই সংস্কৃতিৰ অৰ্থনৈতিক বিকাশত অৰিহণা যোগাইছে।

কৃষি আছিল হৰপ্পাৰ লোকসকলৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৃত্তি। সিন্ধু নদী আৰু ইয়াৰ উপনৈ সমূহে উপত্যকাটো উৰ্বৰ কৰি তুলিছিল। যাৰ ফলস্বৰূপে কৃষি উৎপাদনৰ মাত্ৰা বহু পৰিমাণে বাঢ়ি গৈছিল। হৰপ্পা সংস্কৃতিত কোৰ বা নাঙলৰ জুঁৰলি (ploughshare) হৰপ্পা সংস্কৃতিত উদ্ধাৰ হোৱা নাই। কিন্তু কালিবংগানত উদ্ধাৰ হৈছে। এইটোৱে প্ৰমাণ কৰে যে কালিবাংগানত পথাৰবোৰত হালবোৱা হৈছিল। শিলৰ কাঁচিৰ শস্য চপোৱাত ব্যৱহৃত হৈছিল। হৰপ্পাৰ লোকসকলে যৱ, মটৰ (peas), ক'লা সৰিয়হ বীজ, চাউল আদি উৎপাদন কৰিছিল। তেওঁলোকে দুই ধৰণৰ ঘেঁহু আৰু যৱ উৎপাদন কৰিছিল। ইয়াৰোপৰি তেওঁলোকে কপাহ উৎপাদন কৰিছিল।

জীৱিকা নিৰ্বাহৰ আন এক মাধ্যম আছিল জীৱ-জন্তুবোৰক ঘৰচীয়া কৰা। ষাঁড়গৰু, ম'হ, ছাগলী, ভেড়া আৰু গাহৰিবোৰ ঘৰচীয়া কৰা হৈছিল। হৰপ্পাৰ লোকসকলে দুটা কাৰণত জন্তুবোৰ পোহনীয়া কৰিছিল। তাৰ এটা কাৰণ হ'ল জীৱ-জন্তুৰ পৰা গাখীৰ সংগ্ৰহ কৰা। দ্বিতীয়টো কাৰণ হ'ল জীৱজন্তুবোৰ সামগ্ৰী আৰু মানুহ কঢ়িওৱাৰ বাবে ব্যৱহাৰ কৰা। হৰপ্পাৰ পোৱামাটিৰ দ্বাৰা গঢ়িত জীৱ-জন্তুবোৰৰ সৰহ ভাগেই পোহনীয়া। কিন্তু গাইগৰু পোৱা মাটিৰ জীৱ-জন্তুবোৰত সন্নিৰিষ্ট হোৱা নাই। ভেড়া ছাগলী, গাহৰি আদি গাখীৰৰ বাবে আৰু উট, ম'হ, বলদ, গাধ' হাতী আদি জন্তুবোৰ সামগ্ৰী কঢ়িওৱাৰ বাবে ব্যৱহৃত হৈছিল।

হৰপ্পাৰ লোকসকলে বিভিন্ন শিল্প-কলাৰ সাধনা কৰিছিল। তেওঁলোকে বহুধৰণৰ আহিলা আৰু শিলৰ সা-সঁজুলি ব্যৱহাৰ কৰিছিল। কিন্তু এই সভ্যতাৰ লোকসকলে বগীতাম (tin) আৰু তাম মিহলাই ব্ৰঞ্জ প্ৰস্তুত কৰিছিল। চানহুদাৰো আৰু লোথালত মণি-মালাৰ উৎপাদনৰ প্ৰমাণ পোৱা গৈছে। হৰপ্পাৰ লোকসকলে নাওঁ সাজিছিল। মৃৎশিল্প বহু পৰিমাণে প্ৰসাৰতা লাভ কৰা এক শিল্প আছিল। বেছিসংখ্যক হৰপ্পাৰ মৃৎ পাত্ৰ (pottery) বোৰ সৰল আছিল আৰু সেইবোৰ স্থানীয় কাম-কাজত ব্যৱহাৰ হৈছিলে। কিন্তু কিছুমান মৃৎ-পাত্ৰ (Pottery) ৰঙা টুকুৰাৰে সুসজ্জিত কৰা হৈছিল আৰু ক'লা আকৃতি কিছুমান চিত্ৰিত কৰা হৈছিল। এই সামগ্ৰীবোৰ হয়তো প্ৰতিষ্ঠা সম্পন্ন সামগ্ৰী হিচাপে ব্যৱহৃত হৈছিল আৰু দূৰৰ ব্যৱসায়ৰ বাবে তৈয়াৰ কৰা হৈছিল।

ব্যৱসায়- বাণিজ্যই হৰপ্পাৰ অর্থনীতিত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। আন্তঃবাণিজ্য আৰু বহিঃ বাণিজ্য দুই ধৰণেৰে বাণিজ্যৰ প্রচলন আছিল। তেওঁলোকে ভাৰতৰ ভিতৰৰ বিভিন্ন ঠাইৰ সৈতে আন্তঃ বাণিজ্য স্থাপন কৰিছিল। তাৰোপৰি, তেওঁলোকে পশ্চিম আৰু উত্তৰ এচিয়া, ইজিপ্ত আৰু বেবিলিয়ন আদি ঠাইৰ লগত বাণিজ্যিক সম্পর্ক গঢ়ি উঠিছিল। এই অঞ্চলবোৰত উদ্ধাৰ হোৱা হৰপ্পাৰ মোহৰবোৰে বহিঃ বাণিজ্যৰ সত্যতাক প্রমাণিত কৰে। কাপোৰ আৰু মৃৎপাত্রবোৰ আছিল ৰপ্তানি সামগ্রীৰ অন্যতম। সোণ, ৰূপ, তাম, আৰু মূল্যয়ান শিলবোৰ বাহিৰৰ ঠাইবোৰৰ পৰা আমদানি কৰা হৈছিল।

অনুশীলনী ২.১

হৰপ্পা সংস্কৃতিৰ মৃৎ পাত্রৰ প্রস্তুতি সম্পর্কে টোকা প্রস্তুত কৰা।

.....

.....

.....

.....

- **ধর্মীয় অভ্যাস ঃ**

হৰপ্পা মহেঞ্জোদাৰোৰ পুৰাতাত্বিক ভগ্নাংৱশেষ বোৰে হৰপ্পা সংস্কৃতিৰ ধর্মীয় জীৱনৰ আভাস দিয়ে। আমোদজনকভাৱে, হৰপ্পা সভ্য তাত মন্দিৰৰ ধৱংসাৱশেষ আৱিষ্কাৰ হোৱা নাই। কিন্তু কালিবাংগানত অগ্নিকুণ্ড (fire alter) উদ্ধাৰ হৈছে। বহু পৰিমাণৰ মোহৰ আৰু পোৰামাটিৰ অৱয়ব উদ্ধাৰ হোৱাটোৱে হৰাপ্পাৰ লোকসকল যে মূর্তি পূজাত বিশ্বাসী আছিল। সম্ভৱতঃ হৰপ্পাৰ লোকসকলে মাতৃ দেৱী (mother goddess) পূজা কৰিছিল। এডাল গছপুলি মহিলা এগৰাকীৰ ভ্রূণৰ পৰা উদ্ভৱ হোৱা এটা পোৰামাটিৰ অৱয়ব উদ্ধাৰ হৈছে। সম্ভৱতঃ এই প্রতিকৃতিয়ে ধৰিত্রী দেৱীক সূচায়। হৰপ্পাৰ লোকসকলৰ কিছুমান বৈশিষ্ট্য পিছৰ কালৰ হিন্দু ধর্মৰ ৰীতি-নীতি যেনে-মাতৃদেৱী পূজা, পশুপতি শিৱ, জন্তু পূজা, গছ পূজা আদি।

সিন্দু উপত্যকাত বহুতো নাৰী অৱয়ব উদ্ধাৰ হৈছে। এইটোৱে সূচায় যে মাতৃ দেৱী পূজা সিন্ধু ধর্মৰ অন্যতম অংশ বিশেষ আছিল। মাতৃ দেৱী পূজাৰ লগতে এজন পুৰুষ দেৱতাকো পূজা কৰা হৈছিল। হৰপ্পা সংস্কৃতিৰ আটাইতকৈ উল্লেখযোগ্য দেৱতাগৰাকী হ'ল শিঙা থকা দেৱতা। মহেঞ্জোদাৰোত উদ্ধাৰ হোৱা মোহৰত এই দেৱাতাগৰাকীক তিনিখন মুখেৰে সৈতে যোগ মুদ্রাত শিং যুক্ত মূৰ আৰু বনৰীয়া জীৱ-জন্তুৰে আগুৰি থকা অৱস্থাত উদ্ধাৰ হৈছে। এই জন্তুবোৰ আছিল এটা হাতী, এটা বাঘ, এটা গঁড় আৰু ম'হ আৰু ভৰিত আছিল দুটা মৃগ। এইবোৰ বৈশিষ্ট্যলৈ লক্ষ্য কৰি মার্চেলৰ

নিচিনা পণ্ডিতে এই দেৱতাজনক শিৱ পশুপতি বা পশুসকৰ ভগৱানৰ আদি ৰূপ বুলি চিনাক্তকৰণ কৰিছে। পিছলৈ তেওঁক হিন্দুধর্মৰ উর্বৰতাৰ দেৱতা (God of fertility) বুলি গণ্য কৰ হৈছিল। এই দেৱতাগৰাকীক শিৱ হিচাপে চিনাক্ত কৰণৰ ক্ষেত্রত বিভিন্ন শিলৰ বস্তু বোৰ সহায়ক হিচাপে প্রতিপন্ন হৈছে। এই শিলৰ বস্তুবোৰ শিৱ লিংগৰ লেখীয়া। এইটোৱে ইয়াকে সূচায় যে লিংগপূজা হৰপ্পা সংস্কৃতিৰ ধর্মীয় জীৱনৰ অন্যতম অংগ আছিল।

সিন্ধু অঞ্চলৰ লোকসকলে গছ, পানী, জুই আৰু জীৱ-জন্তুবোৰ পূজা কৰিছিল। এইবোৰৰ ভিতৰৰ অন্যতম আছিল কুঁজথকা ষাঁড়গৰু (humped bull) । অসংখ্য তাবিজ (seals) উদ্ধাৰ হৈছে। সম্ভৱতঃ হৰপ্পাৰ লোকসকলে ভূত আৰু অপশক্তিত বিশ্বাসী আছিল। স্বস্তিকা চিহ্ন থকা কিছুমান মোহৰ উদ্ধাৰ হৈছে যিয়ে সূর্য্যপূজাৰ ইংগিত দিছে। মহেঞ্জোদাৰোত প্রাপ্ত সৰহসংখ্যক মোহৰ মুদ্রাই আখ্যান প্রসিদ্ধ ইউনিকর্ণ—এটা এশিঙীয়া ঘোঁড়া সদৃশ জন্তুৰ প্রতিকৃতি দর্শাই যিটো গ্রীক আখ্যানত অতি জনপ্রিয়। মোহৰ মুদ্রাসমূহত থকা একমাত্র চৰাইৰ প্রতিকৃতিটো হৈছে কপৌ চৰাইৰ প্রতিকৃতি। এইটো কোৱা হয় যে কপৌ চৰাই মেছোপোটেমিয়াৰ মাতৃ দেৱী (Mother Goddess) গৰাকীৰ বাবে অতি পৱিত্র আছিল। হৰপ্পাৰ লোকসকল ঘোঁড়াৰ লগত পৰিচিত নাছিল যিবিধ জন্তুৰ পৰৱর্তী কালত সেইটো অঞ্চলতে বৈদিক সংস্কৃতিৰ সময়ত আবির্ভাৱ ঘটিছিল।

আমি মোহৰ মুদ্রাসমূহত বিভিন্ন আখ্যান প্রসিদ্ধ জন্তু যেনে, এন্‌কিডু বিচাৰি পাওঁ। বেছিভাগ মোহৰ মুদ্রাতে জন্তুবোৰৰ সন্মুখত একোটা কৰি দীঘল চৰিয়া থোৱা দেখা যায় য'ত উৎসর্গা আগ কৰা হৈছিল।

২.৫ পতন

সভ্যতাৰ উত্থান আৰু পতন এক স্বাভাৱিক ঘটনা। হৰপ্পা সভ্যতাৰ পতনৰ কোনো নির্দিষ্ট তাৰিখ নির্ধাৰণ কৰাটো কঠিন। হৰপ্পা সংস্কৃতিৰ পতনৰ সম্পর্কে পণ্ডিত সকলে বিভিন্ন মত দাঙি ধৰিছে। মহেঞ্জোদাৰোত মানুহৰ জঁকা কিছুমান উদ্ধাৰ হৈছে। পণ্ডিতসকলে এই সাক্ষ্যবোৰ ব্যাখ্যা কৰি কৈছে যে আর্য্য সকলৰ দ্বাৰা হোৱা আক্রমণৰ ফলত এই নৰসংহাৰ হৈছিল। তথাপি এই ব্যাখ্যা আন আন কিছুমান পণ্ডিতে মানি লোৱা নাই।

সিন্ধু আৰু ৰবী নদীৰ সোঁতৰ পৱিবর্তনৰ ফলত হৰপ্পা সংস্কৃতিৰ পতন হোৱা বুলি মতটোকেই সাধাৰণতে মানি লোৱা হৈছে। হৰপ্পা সভ্যতাৰ পতনৰ আন এক গুৰুত্বপূর্ণ কাৰণ হ'ল প্রবল বানপানী। মহেঞ্জোদাৰোত কেইবাবাৰো বানপানী হৈছিল বুলি খনন কার্য্যৰ পৰা প্রমাণ পোৱা গৈছে। প্র ৱল বানপানীয়ে হৰপ্পা সভ্যতাৰ প্রচণ্ড ভৌগলিক সালসলনি ঘটাইছিল। বর্ধিত অনার্দ্র অৱস্থাই হৰপ্পা সংস্কৃতিৰ বহু অঞ্চলত নেতিবাচক প্রভাৱ পেলোৱাৰ সাক্ষ্য বহন কৰিছে। যাৰ ফলস্বৰূপে ঘগ্গৰ-হক্‌ৰা নদী শুকান হৈ পৱিছিল। প্রকৃতিৰ এই পৱিবর্তনৰ লগে লগে গ্র্যমাঞ্চল

আৰু নগৰীয়া অঞ্চলৰ অৰ্থনীতিত নেতিবাচক প্ৰভাৱ পেলাইছিল। এনেদৰে, হৰপ্পা সংস্কৃতিৰ পতনৰ বিভিন্ন মতসমূহৰ আটাইতকৈ গ্ৰহণযোগ্যবোৰ হ'ল-প্ৰকৃতিৰ দ্ৰুত পৰিবৰ্তন, প্ৰাকৃতিক দুৰ্যোগ যেনে- বানপানী আৰু ভূমিকম্প, নাগৰিক সকলৰ নাগৰিকত্ব সম্পৰ্কীয় বিবেকৰ অৱনতি, বৰ্হিঃ আক্ৰমণ আদি। বেছিসংখ্যক পণ্ডিতৰ মতে খৰাং আৰু সিন্ধু আৰু ইয়াৰ উপনৈ সমূহৰ বানপানীয়ে হৰপ্পা সংস্কৃতিৰ পতনৰ অন্যতম কাৰণ আছিল। সিন্ধু নদীৰ সোঁত পৰিবৰ্তনৰ অন্যম কাৰণ হিচাপে ভূমিকম্প বুলিও গণ্য কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ লিখক—

(ক) স্বস্তিকা সূৰ্য্যৰ প্ৰতীক।

(খ) চাণ্ডখতি শিৱ আছিল বিশ্ব ৰচনাৰ দেৱতা।

(গ) সভ্যতাৰ উত্থান আৰু পতন প্ৰাকৃতিক পৰিঘটনা নহয়।

(ঘ) হৰপ্পাৰ অঞ্চলবোৰত মন্দিৰ উদ্ধাৰ হৈছে।

(e) প্ৰাকৃতিক দুৰ্যোগ হৰপ্পা সংস্কৃতিৰ পতনৰ অন্যতম কাৰণ।



২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে-

- হৰপ্পা সংস্কৃতি ভাৰতৰ প্ৰাচীনতম সভ্যতাবোৰৰ অন্যতম। হৰপ্পা সংস্কৃতিক সিন্ধু সভ্যতা বুলিও কোৱা হয় কিয়নো এই সভ্যতা সিন্ধু নদীৰ পাৰৰ অঞ্চলত গা কৰি উঠিছিল। হৰপ্পা সভ্যতা ৩২০০খ্ৰীঃপূ আৰু ১৭০০ খ্ৰীঃপূঃৰ মাজৰ সময়ত এটা বৃহৎ অঞ্চল জুৰি বিস্তৃত হৈ আছিল। হৰপ্পা সংস্কৃতি এক নগৰীয়া সংস্কৃতি। এই সভ্যতাৰ নগৰবোৰৰ সু-পৰিকল্পিত আৰু সুন্দৰ আচঁনিৰে নিৰ্মিত নগৰ পৰিকল্পনা আৰু নলা-নৰ্দমাৰ ব্যৱস্থা আছিল।
- হৰপ্পাৰ সমাজ ব্যৱস্থাত লোকসকল চাৰিটা শ্ৰেণীত বিভক্ত আছিল। হৰপ্পা সংস্কৃতিৰ অৰ্থনৈতিক অৱস্থা ভাল আছিল। জীৱিকাৰ বাবে তেওঁলোক কৃষি, বিভিন্ন শিল্প কৰ্ম, আৰু ব্যৱসায়-বাণিজ্যত নিয়োজিত আছিল। ব্যৱসায় আৰু বাণিজ্য যাতায়তৰ সু-ব্যৱস্থাই সুগম কৰি তুলিছিল।
- ধৰ্মীয় ক্ষেত্ৰত হৰপ্পাৰ লোকসকলে পুৰুষ আৰু মহিলা উভয়ৰে অৱয়বৰ পূজা কৰিছিল। তেওঁলোক মাতৃ-দেৱীক পূজা অৰ্চনা কৰিছিল। তেওঁলোকে পশুপতি শিৱ পূজা কৰিছিল। তেওঁলোকে তাবিজতো (amulets) বিশ্বাস ৰাখিছিল।

- হৰপ্পা সংস্কৃতিৰ পতনৰ বিভিন্ন কাৰণ আছিল যেনেঃ বানপানী আৰু ভূমিকম্পৰ নিচিনা প্ৰাকৃতিক দুৰ্যোগ, নদীৰ গতি পথৰ সালসলনি, ভৌগলিক আৰু জলবায়ুৰ পৰিবৰ্তন, আৰু বৰ্হি ঃ আক্ৰমণ।



২.৭ অধিক জানিবলৈ

- Jha, D.N. (1977). *Ancient India- An Introductary Outline,* N. Delhi, India : People's Publishing House.
- Majumdar, R.C., Raychoudhuri. (1986). *An advanced History of India,* New Delhi, India : Macmillion.
- Ray Choudhuri, H.C. (1972). *Political History of Ancient India*. Kolkata, India : University of Calcutta.



২.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) মহেঞ্জোদাৰো

(খ) বন্দৰ

(গ) তিনি

(ঘ) পাশাখেল

(ঙ) হৰপ্পা

২ নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) শুদ্ধ

(খ) অশুদ্ধ

(গ) অশুদ্ধ

(ঘ) অশুদ্ধ

(ঙ) শুদ্ধ



২.৯ আৰ্হি প্ৰশ্ন

১। বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ হৰপ্পা সংস্কৃতিৰ আৱিষ্কাৰ কোনে কৰিছিল ?

প্ৰশ্ন ২ ঃ হৰপ্পা সংস্কৃতিৰ দুখন গুৰুত্বপূৰ্ণ চহৰৰ নাম লিখক।

প্ৰশ্ন ৩ ঃ কোনজন পুৰুষ দেৱতাক হৰপ্পা সংস্কৃতিৰ লোকসকলে পূজা কৰিছিল?

২। চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ হৰপ্পা সংস্কৃতিৰ সামাজিক অৱস্থাৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ হৰপ্পা সংস্কৃতিৰ বিভিন্ন শিল্পৰ ওপৰত চমুটোকা লিখক।

প্ৰশ্ন ৩ ঃ হৰাপ্পাৰ মোহৰবোৰৰ ওপৰত চমু টোকা লিখক।

প্ৰশ্ন ৪ ঃ হৰপ্পা সংস্কৃতিৰ পতনৰ কাৰণবোৰ লিখক।

৩। ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ হৰপ্পা সংস্কৃতিৰ বিস্তৃতি কিমান আছিল? হৰাপ্পা সংস্কৃতিৰ নগৰ পৰিকল্পনা আলোচনা কৰা।

প্ৰশ্ন ২ ঃ হৰপ্পা সংস্কৃতিৰ অৰ্থনৈতিক অৱস্থা আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ হৰপ্পা সংস্কৃতিৰ লোকসকলৰ ধৰ্মীয় জীৱন আলোচনা কৰক।

*** ***** ***